তিনিচুকীয়া, দেওবাৰ, ২৫ আহিন, ১৯৪৭ শক

দৈনিক জনমভূমি

Tinsukia, Sunday, October 12, 2025

প্ৰেমচন্দৰ জীৱন, দৰ্শন, আদৰ্শৰ আলোচনা

# ডিব্ৰু মহাবিদ্যালয়ত 'মুন্সি প্ৰেমচন্দ বৈঠক' সম্পন্ন



ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ১১ অক্টোবৰ ঃ ডিব্ৰু মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰৰ ৰিডাৰ্ছ ক্লাবৰ উদ্যোগত তথা অসমীয়া বিভাগৰ সহযোগত আজি 'মুন্সি প্ৰেমচন্দ বৈঠক' শীৰ্ষক এখন বৈঠক অনুষ্ঠিত হয়। বিগত কেইবাবছৰ ধৰি ডিব্ৰু মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰৰ ৰিডাৰ্ছ ক্লাবৰ উদ্যোগত তথা গ্ৰন্থাগাৰিক দীপিকা দাসৰ তৎপৰতাত ছাত্ৰ-ছাত্ৰীসকলক বিশ্বৰ উৎকৃষ্ট ৰচনাৰাজিৰ সৈতে পৰিচয় কৰাই দিয়াৰ মানসেৰে উক্ত বৈঠকখন অনুষ্ঠিত কৰি অহা হৈছে। উল্লেখযোগ্য যে মহাবিদ্যালয় পৰিয়ালৰ পৰামৰ্শ, উৎসাহ আৰু সহযোগিতাৰে পুষ্ট হৈ এই বৈঠকখনে বিশটা খণ্ড ১৩ *পিঠিলৈ*

# ডিব্ৰু মহাবিদ্যালয়ত 'মুন্সি...

অতিক্ৰম কৰি একৈশ সংখ্যক বৈঠকত ভৰি দিছে। এই মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী ড° হিমাদ্ৰী শৰ্মাই আঁত ধৰা আজিৰ একৈশ সংখ্যক বৈঠকত মহাবিদ্যালয়ৰ উপাধ্যক্ষা ড° অদিতি বৰুৱা, ৰিডাৰ্ছ ক্লাবৰ সভাপতি ড° মৌচুমী দত্ত, সমল ব্যক্তি ড° সমীৰ কুমাৰ ঝা, গ্ৰন্থাগাৰিক দীপিকা দাস, অন্যান্য অধ্যাপক-অধ্যাপিকাসকল আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। উপাধ্যক্ষা ড° অদিতি বৰুৱাই তেওঁৰ বক্তব্যত উপন্যাস সম্ৰাট প্ৰেমচন্দ মুন্সিৰ 'গোদান' গ্ৰন্থখনৰ মনোগ্ৰাহিতাৰ বিষয়ে চমুকৈ বৰ্ণনা কৰে। আমন্ত্ৰিত সমল ব্যক্তি ড° সমীৰ কুমাৰ ঝাই 'মুন্সি প্ৰেমচন্দ আৰু গোদানৰ পৰিপ্ৰেক্ষিতত বাস্তৱবাদ' শীৰ্ষক বিষয়ত এক সাৰুৱা বক্তৃতা প্ৰদান কৰে। তেওঁ মুন্সি প্ৰেমচন্দৰ জীৱন, দৰ্শন আৰু আদৰ্শৰ কথা আলোচনা কৰাৰ লগতে তেওঁৰ লেখাত কিদৰে বাস্তৱ সমাজৰ এখন জীয়া প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে সেই সম্বন্ধে বিশদভাৱে আলোচনা কৰে। প্ৰসংগক্ৰমে তেওঁ মুন্সিৰ বিভিন্ন সৃষ্টিৰাজিত প্ৰতিবিম্বিত হোৱা জাতিবাদ, শোষণ, নাৰীবাদ আদিৰ আলোকপাত কৰে। উপস্থিত অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলে আলোচ্য বিষয়ৰ ওপৰত নিজৰ ভাব বিনিময় কৰে। বক্তৃতাৰ অন্তত ৰিডাৰ্ছ ক্লাবৰ সভাপতি ড° মৌচুমী দত্তই সভাপতিৰ মন্তব্য আগবঢ়ায়।